# প্ৰাচীন ভাৰতীয় শিক্ষা

হেমচন্দ্ৰ গোস্বামী

আৰ্য-শিক্ষাৰ মূলমন্ত্ৰ মোক্ষ লাভ হ'লেও তাক কৰ্ম, ভক্তি আৰু জ্ঞানৰ ভিতৰেদি পোৱাৰহে বিধান কৰিছে। প্ৰতি মানুহৰ পুৰুষাৰ্থক চাৰিভাগে ভাগ কৰিছিল, যেনে—ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ। মোক্ষক পৰম পুৰুষাৰ্থ বুলি ধৰিলেও তাৰ অধিকাৰী স্বভাৱতে কম হ'ব বুলি ভাবি সৰ্বসাধাৰণ মানুহৰ নিমিত্তে ধৰ্ম, অৰ্থ আৰু কাম এই তিনি বৰ্গৰ সাধনা বিধান কৰিছিল। অনেকে ভুল কৰে যে হিন্দুৰ শিক্ষা আছিল মানুহক সংসাৰ ত্যাগী বা সংসাৰী কৰা। ত্যাগ কাৰ্য শিক্ষাৰ চৰম উদ্দেশ্য হ'লেও অনাসক্ত ভোগকহে তেওঁবিলাকে ত্যাগী বুলি ধৰিছিল। প্ৰাচীন ভাৰতবৰ্ষত বিশ্ববিদ্যালয়বিলাক কেনেকৈ সৃষ্টি হ'ল সেই কথা ক'বলৈ গ'লে আৰু অনেক ক'ব লাগে। সেইদেখি এইখিনিতে আমি সেইবিলাকৰ নাম আৰু তাত কেনেকৈ ছাত্ৰবিলাকক পঢ়াইছিল তাকেহে মাত্ৰ উল্লেখ কৰিম। আজিলৈ অনুসন্ধানৰ ফলত জানিব পৰা গৈছে যে প্ৰাচীন ভাৰতত এই ছটা বিশ্ববিদ্যালয় আছিল, যেনে—তক্ষশীলা, শ্ৰীধান্যকটক, নালন্দা, উদান্তপুৰী, দেৱবিহাৰ বা বিক্ৰমশীলা আৰু উজ্জয়িনী।

তক্ষশীলাত যি বিশ্ববিদ্যালয় আছিল, সি খ্ৰীষ্টপূৰ্ব এক শতিকালৈকে আছিল। এই বিশ্ববিদ্যালয়ৰ তলত কেইবাখনো চতুষ্পাঠী আছিল আৰু তাত ওঠৰ বিধ শিক্ষা দিয়া হৈছিল। তাত ভাস্কৰ-বিদ্যা, চিত্ৰাংকন, মূৰ্তিকটা আৰু আন আন হাতেৰে কৰা বিদ্যা-শিক্ষা দিয়া হৈছিল। ইয়াতে অত্ৰেয় ঋষিয়ে আয়ুৰ্বেদ শিক্ষা দিছিল। বুদ্ধদেৱৰ চিকিৎসক 'জীৱক' এই অত্ৰেয় মুনিৰে ছাত্ৰ আছিল। এই বিদ্যালয়তে জীৱকে সাত বছৰ পঢ়িছিল আৰু পাণিনি আৰু চাণক্যও এই বিদ্যালয়ৰে ছাত্ৰ আছিল। এই বিদ্যালয়ত পঢ়িবলৈ পশ্চিমৰ পৰা, পাৰস্য দেশৰ পৰা ছাত্ৰ আহিছিল আৰু বেকট্ৰিয়া আৰু মগধ দেশৰ পৰাও ছাত্ৰ আহি পঢ়িছিল। যেতিয়া ই হিন্দু বিশ্ববিদ্যালয় গুচি বুদ্ধ বিশ্ববিদ্যালয় হ'ল, তেতিয়া ইয়ালৈ চীনদেশৰ পৰাও বহুত ছাত্ৰ আহি পঢ়িছিল।

শ্ৰীধান্যকটক বিশ্ববিদ্যালয় অম্ৰাৱতী নগৰৰ ওচৰত আছিল, ইয়াত হিন্দু আৰু বৌদ্ধ দুয়োবিধ শিক্ষাকে দিয়া হৈছিল। এই বিশ্ববিদ্যালয়ো খ্ৰীষ্টপূৰ্ব এক শতিকালৈ বৰ্তমান আছিল। এই বিশ্ববিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল নাগাৰ্জুন।

নালান্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অংকশাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল। এই বিশ্ববিদ্যালয় খ্ৰীষ্টপূৰ্ব এক শতিকাৰ পৰা আঠ খ্ৰীষ্টাব্দলৈকে বৰ্তমান হৈছিল। এই বিশ্ববিদ্যালয়ৰ বাহিৰে-ভিতৰে দহ হাজাৰ ছাত্ৰ আছিল। শীলভদ্ৰ নামে এজন উদাসীন পণ্ডিত এই বিশ্ববিদ্যালয়ৰ বিখ্যাত অধ্যক্ষ আছিল। ইয়াত কোনো খৰচ নোলোৱাকৈ শিক্ষাদান কৰিছিল আৰু ইয়াত ব্যাকৰণ, তৰ্কশাস্ত্ৰ, চিকিৎসাশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ আৰু আধ্যাত্মবিজ্ঞানৰ শিক্ষা দিয়া হৈছিল। ইয়াৰ যিটো পুথিভঁৰাল আছিল সি ভাৰতবৰ্ষৰ সকলো পুথিভঁৰালতকৈ ডাঙৰ আছিল। সেই পুথিভঁৰালটো ন-তলীয়া আছিল আৰু তাৰ নাম আছিল ৰত্নোদধি। শিক্ষাগাৰটোত এশটা কোঠালিত এশটা শ্ৰেণী বহিব পাৰিছিল। এই বিশ্ববিদ্যালয়ৰ ছাত্ৰবিলাক ভাৰতবৰ্ষৰ সকলো ঠাইৰ ছাত্ৰৰ আদৰ্শ আছিল। সাতশ বছৰৰ ভিতৰত এজন ছাত্ৰৰো অশিষ্টাচাৰৰ কথা উল্লেখ নাই। দেশ-বিদেশৰ ছাত্ৰ আহি নালন্দা ভৰি পৰিছিল, কিন্তু তাৰ শিক্ষাৰ আদৰ্শ ইমান ওখ আছিল যে কম ছাত্ৰইহে তাত প্ৰৱেশ লাভ কৰিছিল। এই বিশ্ববিদ্যালয়ত যেতিয়া চীনদেশৰ পৰিব্ৰাজক য়ুয়ানচ্যাঙে যোগশাস্ত্ৰ পঢ়ে তেতিয়া আমাৰ দেশৰ ৰজা ভাস্কৰ বৰ্মাই তেওঁক এই দেশলৈ আহিবলৈ অনুৰোধ কৰি চিঠি লিখে। নালন্দাৰ বিহাৰৰ ঠাইখন এতিয়া আৰ্কিয়োলজিকেল ডিপাৰ্টমেণ্টে খানি চোৱাত ভাস্কৰ বৰ্মাৰ চিঠিৰ লগত যোৱা এটা পোৰা-মাটিৰ মোহৰ পোৱা গৈছে। কোনে ক'ব যে এই মোহৰটো ভাস্কৰ বৰ্মাই য়ুয়ানচ্যাঙক নিমন্ত্ৰণ কৰা পত্ৰৰ মোহৰ নহয়?

উদান্তপুৰৰ বিশ্ববিদ্যালয় পাল ৰজাবিলাকৰ আগৰে পৰা আছিল; কিন্তু খ্ৰীষ্টীয় ৮ম শতাব্দীতহে ই বিশেষ খ্যাতি লাভ কৰে। এই বিশ্ববিদ্যালয়ৰ এটা বহুমূলীয়া পুথিভঁৰাল আছিল, যাক মুছলমানবিলাকে ১২০২ খ্ৰীষ্টাব্দত নষ্ট কৰিলে।

বিক্ৰমশীলা বা দেৱবিহাৰ বিশ্ববিদ্যালয়। খ্ৰীষ্টীয় ৮ম শতাব্দীত ধৰ্মপাল ৰজাই ৰাজত্ব কৰে। এই বিশ্ববিদ্যালয়ৰ তলত ছটা উচ্চ বিদ্যালয় আৰু ১০৮ জন অধ্যাপক আছিল। এই বিদ্যালয় ৪০০ বছৰৰ পাছত নষ্ট হয়। ছাত্ৰ থাকিবৰ নিমিত্তে বিদ্যালয়ৰ গাতে লগা চাৰিখন সত্ৰ অৰ্থাৎ ছাত্ৰাবাস আছিল; তাত ছাত্ৰবিলাকে বিনা খৰচে খাবলৈ আৰু থাকিবলৈ পাইছিল।

উজ্জয়িনীত যি বিশ্ববিদ্যালয় আছিল তাত একালত অৰ্থাৎ বিক্ৰমাদিত্যৰ ৰাজত্বৰ সময়ত ভাৰতবৰ্ষৰ সকলো পণ্ডিত লোকসকলৰ মিলনক্ষেত্ৰ আছিল। এই বিশ্ববিদ্যালয়ত বিশেষকৈ জ্যোতিষশাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল। এই বিশ্ববিদ্যালয় বুদ্ধদেৱৰ দিনতো প্ৰখ্যাত আছিল।

আৰ্যশিক্ষাৰ ৬৪ কলাবিদ্যাৰ শিক্ষা এই বিশ্ববিদ্যালয়বিলাকত তলত দিয়া ১১ টা বিভাগত দিয়া হৈছিল। (১) সাহিত্য, (২) গৃহপাল বিদ্যা, (৩) ৰন্ধন বিদ্যা, (৪) সাজ-সজ্জা আৰু পৰিচ্ছদ বিদ্যা, (৫) হাতেৰে কাম কৰা বিদ্যা, (৬) শিল্প বিদ্যা, (৭) বিজ্ঞান, (৮) সংগীত বিদ্যা, (৯) নাট্য বিদ্যা, (১০) শিষ্টাচাৰ বিদ্যা, (১১) শাৰীৰিক ব্যায়াম বিদ্যা।

ওপৰত কোৱা কথাৰ পৰা আপোনাসকলে ভালকৈ দেখিছে যে অন্যান্য সভ্যদেশত ছাত্ৰৰ শিক্ষাৰ নিমিত্তে যি বন্দৱস্ত কৰিছিল, এই দেশতো তাতকৈ কোনোমতে কম বন্দৱস্ত কৰা নাছিল। আগৰ কালৰ ছাত্ৰবিলাকে শিক্ষা লাভ কৰি নানা বিষয়ত যেনেকৈ সিদ্ধি লাভ কৰি নতুন নতুন তত্ত্ব আৰু সত্য আৱিষ্কাৰ কৰিছিল, এতিয়ানো ভাৰতবৰ্ষৰ ছাত্ৰই কিয় তেনে সত্য আৱিষ্কাৰ কৰিবলৈ সমৰ্থ নহয়? যদিওবা দুই-এজনে ক'ৰবাত দুই-এক তত্ত্ব আৱিষ্কাৰ কৰিছে, সি ধৰ্তব্য নহয়। তেনেহ'লে কি ছাত্ৰ কি অভিভাৱক সকলোৱে এবাৰ ভাবি চোৱা উচিত নহয় নে যে এনে হ'বৰ কাৰণ কি?

যদিওবা গৱৰ্ণমেণ্ট বছৰি কোটি কোটি টকা আমাৰ ল'ৰাৰ শিক্ষাৰ নিমিত্তে খৰচ কৰিছে আৰু যদিও লাখে লাখে ল'ৰাই শিক্ষা লাভ কৰিব লাগিছে তথাপি কিয় আজিকালি স্বাধীন চিন্তা কৰি নতুন তত্ত্ব বাহিৰ কৰিব পৰা ছাত্ৰৰ সংখ্যা ইমান কম? মোৰ ক্ষুদ্ৰ বুদ্ধিয়ে যিমান ঢুকি পাইছে, এনে হ'বৰ প্ৰধান কাৰণ হৈছে আগৰ দিনত আজিকালিৰ দৰে শিক্ষাৰ উদ্দেশ্য চাকৰি নাছিল। আগৰ কালৰ শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ সজ বৃত্তিবোৰক ফুলাই তুলি অসৎ বৃত্তিবোৰক তুলি বা দলিয়াই পেলাই তেওঁক জীৱন যুদ্ধৰ নিমিত্তে ভালকৈ সাজু কৰা।

**লেখক পৰিচয় ঃ**

**হেমচন্দ্ৰ গোস্বামী ঃ** ১৮৭২ চনত গোলাঘাটৰ ওচৰৰ ঢেকিয়ালত জন্ম। পিতৃ ডম্বৰুধৰ গোস্বামী। নগাঁৱত স্কুলীয়া শিক্ষা লৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজত বি. এ. পৰ্যন্ত পঢ়ে। অসমত চৰকাৰী চাকৰি কৰি ই. এ. চি. ৰূপে অৱসৰ লয় ১৯২৫ চনত। অ. ভা. উ. সা. সভাৰ লগত জড়িত হৈ থকা কালতে 'জোনাকী'ৰ সম্পাদক হৈছিল। এওঁৰ 'প্ৰিয়তমাৰ চিঠি' প্ৰথম অসমীয়া ছনেট। কবিতা সংকলন 'ফুলৰ চাকি'। 'কথা-গীতা', 'পুৰণি অসমৰ বুৰঞ্জী', 'অসমীয়া সাহিত্যৰ চানেকি', 'কামৰত্নতন্ত্ৰ' আদি উল্লেখযোগ্য ৰচনা। অসম সাহিত্য সভাৰ তেজপুৰ অধিবেশনৰ (১৯২০) সভাপতি। এওঁৰ বিশেষ যত্নত 'হেমকোষ' অসমীয়া অভিধান ছপা হয়।

অসমীয়া সাহিত্যত প্ৰত্নতাত্ত্বিক, গৱেষক আৰু প্ৰাচীন পুথি সম্পাদনাৰ অন্যতম পথ প্ৰদৰ্শক ৰূপে সুপৰিচিত। ১৯২৮ চনত মৃত্যু হয়।

**পাঠবোধ ঃ** পাঠটিত ভাৰতবৰ্ষৰ প্ৰাচীন কালৰ শিক্ষা ব্যৱস্থাৰ আভাস দিয়া হৈছে। বিশেষকৈ সেইসময়ৰ শিক্ষাৰ উদ্দেশ্য, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম, শিক্ষক-ছাত্ৰৰ আচৰণৰ আভাস দিয়াৰ লগতে

বৰ্তমানৰ শিক্ষাৰ ব্যৱস্থাৰ সৈতে প্ৰাচীন ভাৰতীয় শিক্ষাৰ এটি তুলনাও কৰা হৈছে। বৰ্তমান শিক্ষা ব্যৱস্থাত দেখা দিয়া কেৰোণসমূহৰ চমু আভাসো পাঠটোত আছে। শিক্ষাৰ যি চিৰন্তন উদ্দেশ্য সেই উদ্দেশ্যৰ বিষয়ে চমুকৈ লিখি লিখকে ছাত্ৰসমাজক সেয়া উপলব্ধি কৰিবলৈ আহ্বান জনাইছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

মোক্ষ ঃ সংসাৰ বন্ধনৰ পৰা ৰেহাই পোৱা অৱস্থা অৰ্থাৎ নিৰ্বাণ, মুক্তি।

পুৰুষাৰ্থ ঃ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ — পুৰুষৰ প্ৰয়োজনীয় এই চতুৰ্বৰ্গ; চেষ্টা বা যত্ন।

পাণিনি ঃ সংস্কৃত ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰণেতা। এওঁৰ সংস্কৃত ব্যাকৰণখন আঠটা অধ্যায়ত সম্পূৰ্ণ বাবে নামো 'অষ্টাধ্যায়ী'। আদিৰ পৰা অন্তলৈকে ব্যাকৰণখনি সূত্ৰৰে বন্ধা।

চাণক্য ঃ মৌৰ্য বংশীয় ৰজা চন্দ্ৰগুপ্তৰ ব্ৰাহ্মণ মন্ত্ৰী। ৰাষ্ট্ৰ বিজ্ঞানৰ এগৰাকী অতি বিচক্ষণ বুদ্ধিৰ লোক। এওঁৰ আন দুটি নাম বিষ্ণুগুপ্ত আৰু কৌটিল্য। 'অৰ্থশাস্ত্ৰ' হ'ল তেওঁৰ বিশ্ববিখ্যাত গ্ৰন্থ।

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক ঃ**

১। চমু উত্তৰ লিখা ঃ

(ক) তক্ষশীলা বিশ্ববিদ্যালয়ৰ চাৰিজন প্ৰখ্যাত ছাত্ৰৰ নাম লিখা।

(খ) তক্ষশীলালৈ কোন কোন দেশৰ পৰা ছাত্ৰ আহিছিল?

(গ) নাগাৰ্জুন কোন? ক'ত আছিল আৰু কি কৰিছিল?

(ঘ) নালন্দা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা কোনজন চীনা ছাত্ৰক কামৰূপ ৰাজ্যলৈ নিমন্ত্ৰণ কৰা হৈছিল? নিমন্ত্ৰণ কৰা ৰজাজন কোন?

(ঙ) উদান্তপুৰী বিশ্ববিদ্যালয়ৰ কি সম্পদ কোনে, কেতিয়া ধ্বংস কৰিলে?

(চ) কোনখন বিশ্ববিদ্যালয় কাৰ দিনত কোনবিলাক পণ্ডিতৰ মিলনক্ষেত্ৰ আছিল?

২। 'প্ৰাচীন ভাৰতীয় শিক্ষা' পাঠটিৰ কথাখিনি চমুকৈ লিখা।

৩। প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়বিলাকৰ চমু পৰিচয় দিয়া।

৪। আৰ্য শিক্ষাৰ কলাবিদ্যা কিমানটি? প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহত আৰ্য শিক্ষাব কলা-বিদ্যা কোন কোন বিভাগত দিয়াৰ ব্যৱস্থা আছিল?

৫। আজি কালিৰ শিক্ষাৰ লগত প্ৰাচীন কালৰ ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্যৰ কথা বহলাই আলোচনা কৰা।

৬। চমুটোকা লিখা ঃ

তক্ষশীলা বিশ্ববিদ্যালয়, বিক্ৰমশীলা বিশ্ববিদ্যালয়, নালন্দা বিশ্ববিদ্যালয়।

৭। 'প্ৰাচীন ভাৰতীয় শিক্ষা' প্ৰবন্ধটোৰ পৰা তুমি কি কি মূল্যৱান কথা শিকিলা চমুকৈ লিখা।

<u>ভাব-বিষয়ক</u> ঃ

১। বাক্য ৰচনা কৰা ঃ

(ক) স্বাধীন চিন্তা (খ) জ্যোতিষশাস্ত্ৰ (গ) পোৰা মাটি

(ঘ) বাহিৰে-ভিতৰে।

২। তলৰ শব্দকেইটাৰ সন্ধি ভাঙা ঃ

শিক্ষাগাৰ; বিদ্যালয়; পুৰুষাৰ্থ।

●●●